**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :13**-03-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::::**

১। দুদিনীয়া কাৰ্যসূচীৰে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ আৰম্ভ হ'ব।

২। বন্ধন গেছৰ প্ৰসংগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ অধিবেশন আজি বিয়লি ২ বজালৈ স্থগিত ৰখা হয়।

৩। নাগালেণ্ডকে ধৰি প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰা দেশৰ ছখন ৰাজ্যলৈ অতিৰিক্ত কেন্দ্ৰীয় সাহায্য প্ৰদানত গৃহমন্ত্ৰীৰ অধ্যক্ষতাৰ এখন উচ্চপদস্থ সমিতিয়ে অনুমোদন জনাইছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়া অঞ্চলৰ গুৰুতৰ পৰিস্থিতি সন্দৰ্ভত ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেশ্কিয়ানৰ সৈতে মত-বিনিময় কৰে।

*আৰু*

৫। ছুইচ অ'পেন ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতৰ সাত্বিক সাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীৰ খেল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰধানমন্ত্ৰীক বিমান বন্দৰত আদৰণি জনায়। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৪৭ হাজাৰ ৮০০ কোটিতকৈয়ো অধিক টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে দুপৰীয়াৰ ভাগত কোকৰাঝাৰত এখন জনসভাত অংশ লোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত এই ভ্ৰমণ বাতিল হোৱাৰ সম্ভাৱনা আছে। এনে পৰিস্থিতিত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰৰ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ কথা। প্ৰধানমন্ত্ৰীয়ে ২৫৬ কোটি টকা ব্যয় সাপেক্ষ বাঁশবাৰীত মালবাহী ৰে'লৰ নিয়মিত মেৰামতি কাৰখানা, ১ হাজাৰ ১০১ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা কেইবাখনো উৰণ সেঁতু আৰু সোণকোষ আৰু বেঁকী নদীৰ ওপৰত দুখন দলঙৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে উন্নত যাতায়াত ব্যৱস্থাৰে বি টি চি এলেকাৰ উন্নয়নৰ লক্ষ্যৰে কামাখ্যা-চৰ্লপল্লী অমৃত ভাৰত এক্সপেছ, গুৱাহাটী-নিউ জলপাইগুৰি এক্সপেছ আৰু নাৰেংগী-আগৰতলা এক্সপেছ ৰে'লসেৱা মুকলি কৰিব। কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীন ফিল্ডত দিনৰ আঢ়ৈ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীকে ধৰি কেইবাগৰাকীও মন্ত্ৰী-সাংসদ উপস্থিত থাকিব।

প্ৰধানমন্ত্ৰী মোদী বিয়লি ৫ বজাত গুৱাহাটীলৈ আহিব আৰু খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ আন্তঃগাঁথনি আৰু শক্তিখণ্ডৰ উন্নয়নেৰে সবল অসম

নিৰ্মাণৰ দিশত উল্লেখনীয় পদক্ষেপ হিচাপে গুৱাহাটীত ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে ২ হাজাৰ ৪১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, ৭৫০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু ৩ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰিব। তেওঁ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত ৰঙিয়া-মুকংচেলেক, চাপৰমুখ-ডিব্ৰুগড়, বদৰপুৰ-শিলচৰ আৰু বদৰপুৰ-চুৰাইবাৰী ৰে'লপথ আছে। তেওঁ লগতে ফৰকাটিং-তিনিচুকীয়া ৰে'লৰে লাইন দ্বৈতকৰণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডঃ শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পৰিত্ৰ মাৰ্ঘেৰিটাকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰিব। প্ৰথম পৰ্যায়ত ২০ খন জিলাৰ ১০৬ খন চাহ বাগিচাৰ শ্ৰমিকসকলক ভূমিপট্টা প্ৰদান কৰা হ'ব। তেওঁ লগতে  প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব।

শ্ৰীমোদীয়ে কাইলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে শিলচৰত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

০০০০

ৰন্ধন গেছৰ প্ৰসংগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ অধিবেশন আজি বিয়লি ২ বজালৈ স্থগিত ৰখা হয়। প্ৰথমবাৰৰ বাবে স্থগিত হোৱাৰ পাছত দুপৰীয়া ১২ বজাত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষৰ দায়িত্বত থকা সন্ধ্যা ৰায়ে সদনৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহায় কৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায়। সমগ্ৰ ৰাষ্ট্ৰই তেওঁলোকৰ আচৰণ প্ৰত্যক্ষ কৰি আছে বুলি উল্লেখ কৰি তেওঁ কয় যে গণতন্ত্ৰৰ সন্মান ৰক্ষাৰ ক্ষেত্ৰত এনে আচৰণ শোভা নাপায়।

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে, সদনৰ ভিতৰলৈ খাদ্য সামগ্ৰী কঢ়িয়াই আনি আৰু কাম-কাজত ব্যাঘাত জন্মাই বিৰোধী পক্ষৰ নেতাসকল শৃংখলাহীন কাৰ্যকলাপত লিপ্ত হৈছে বুলি অভিযোগ কৰে। বিৰোধী দলসমূহে এনে ধৰণৰ নাটকীয় কাৰ্যকলাপৰ দ্বাৰা জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰি বুলি ধাৰণা কৰা বুলি অভিযোগ কৰি শ্ৰীৰিজিজুৱে লগতে কয় যে কংগ্ৰেছ সদস্যসকলৰ আচৰণ দিনক দিনে অধিক বেয়াৰ ফালে ঢাল খাইছে।

এনে পৰিস্থিতিৰ মাজতে অধ্যক্ষৰ দায়িত্বত থকা বিষয়াগৰাকীয়ে ২০২৫-২৬ বৰ্ষৰ দ্বিতীয় ভাগৰ বাবে অনুদানৰ পৰিপূৰক দাবী সন্দৰ্ভত আলোচনা আৰম্ভ কৰিবলৈ বিচাৰে যদিও বিৰোধী পক্ষৰ সাংসদসকলে বিভিন্ন শ্লোগান দি সদনৰ মজিয়ালৈ উঠি আহে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ ফলত সদনৰ কাম-কাজ পুনৰ ২ বজালৈ স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন আৰম্ভ হোৱাৰ লগে লগে অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আৰম্ভ কৰিবলৈ লয় যদিও বিৰোধী পক্ষৰ সদস্যসকলে থিয় হৈ বিভিন্ন প্ৰসংগ উত্থাপন কৰি বিৰোধ কৰিবলৈ

আৰম্ভ কৰে। অধ্যক্ষ বিৰলাই প্ৰশ্নকালক অতি গুৰুত্বপূৰ্ণ বুলি আখ্যা দি কয় যে এই সময়খিনিতেই সদস্যসকলে ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দিশৰ পৰা গুৰুত্বপূৰ্ণ বিষয়সমূহ সদনত উত্থাপন কৰে। এই সূচীত ব্যাঘাত জন্মোৱাটোক সংসদীয় বিধিৰ অৱমাননা বুলি অভিহিত কৰি তেওঁ সংসদৰ বাহিৰে-ভিতৰে সদনৰ পৱিত্ৰতা ৰক্ষা কৰাৰ হকে মত পোষণ কৰে। সদনৰ কাম-কাজত পৰিকল্পিতভাৱে ব্যাঘাত জন্মোৱাটো অনুচিত বুলিও অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে।

বাইট (ওম বিৰলা)

০০০০

প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰা নাগালেণ্ড, অন্ধ্ৰ প্ৰদেশ, ছত্তিশগড়, গুজৰাট, হিমাচল প্ৰদেশ আৰু জম্মু আৰু কাশ্মীৰলৈ এহেজাৰ ৯১২ কোটি টকাতকৈ অধিক পৰিমাণৰ অতিৰিক্ত কেন্দ্ৰীয় সাহায্য প্ৰদানত চৰকাৰৰ এখন উচ্চপদস্থ সমিতিয়ে অনুমোদন জনাইছে। গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত গঠিত এই সমিতিখনে বান, ডাৱৰ বিস্ফোৰণ, মন্থা ঘূৰ্ণীবতাহ আৰু ভূমিস্খলনৰ দৰে দুৰ্যোগৰ ফলত ৰাজ্যকেইখনে সন্মুখীন হোৱা ক্ষয়-ক্ষতিৰ জোৰা মৰাৰ বাবে এই পুঁজি আগবঢ়োৱা হৈছে। কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই পুঁজিৰ পৰা ১৫৮ কোটি টকাৰো অধিক পৰিমাণৰ ধন নাগালেণ্ডলৈ, ৩৪১ কোটি টকাৰো অধিক ধন অন্ধ্ৰ প্ৰদেশলৈ, ১৫ কোটি ৭০ লাখ টকা ছত্তিশগড়লৈ, ৭৭৮ কোটি টকাৰো অধিক ধন গুজৰাটলৈ, ২৮৮ কোটি টকাৰো অধিক ধন হিমাচল প্ৰদেশলৈ আৰু ৩৩০ কোটি টকাৰো অধিক ধন জম্মু আৰু কাশ্মীৰলৈ আবণ্টন কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়া অঞ্চলৰ গুৰুতৰ পৰিস্থিতি সন্দৰ্ভত ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেশ্কিয়ানৰ সৈতে মত-বিনিময় কৰে। সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ইৰানৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে আলোচনাৰ সময়ত তেওঁ অঞ্চলটোত উত্তেজনা বৃদ্ধি পোৱা তথা সাধাৰণ নাগৰিকৰ প্ৰাণহানি আৰু অসামৰিক ক্ষেত্ৰৰ আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতিৰ বিষয়ক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী তথা ইন্ধনৰ সৰবৰাহৰ লগতে ভাৰতীয় নাগৰিকৰ সুৰক্ষা আৰু নিৰাপত্তাক ভাৰতৰ সৰ্বাধিক অগ্ৰাধিকাৰৰ বিষয় বুলি অভিহিত কৰে। একে সময়তে তেওঁ অঞ্চলটোৰ শান্তি আৰু সুস্থিৰতাৰ পৰিবেশৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাৰ বিষয়টো দোহাৰি আলাপ-আলোচনা তথা কূটনৈতিক দিশত উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে সকলো পক্ষকে আহ্বান জনায়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চিলিৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা হ'ছে আণ্টনিঅ' কাষ্টক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দুয়োখন দেশৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী কৰি তোলাৰ বাবে নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি কাষ্টৰ সৈতে একেলগে কাম কৰিবলৈ তেওঁ আগ্ৰহেৰে অপেক্ষা কৰি আছে। সমাগত দিনবোৰত বাণিজ্য, প্ৰযুক্তি আৰু শক্তি খণ্ডকে ধৰি গুৰুত্বপূৰ্ণ খণ্ডসমূহত ভাৰত আৰু চিলিৰ মাজত সম্পৰ্ক অধিক গভীৰ হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা নিৰ্দেশৰ পাছতে যোগান বিভাগে ৰন্ধন গেছ আৰু পেট্ৰল আৰু ডিজেলৰ দৰে পেট্ৰলিয়ামজাত সামগ্ৰীসমূহৰ সীমিত ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। বিভাগে এটা

বিবৃতিত পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশনা সন্দৰ্ভত কয় যে, দেশত ৰন্ধন গেছ, পেট্ৰল আৰু ডিজেল পৰ্য্যাপ্ত পৰিমাণে মজুত আছে। অৱশ্যে মধ্যপ্ৰাচ্যৰ যুদ্ধৰ পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত হৈ থকাৰ প্ৰতি লক্ষ্য ৰাখি যোগান বিভাগে সম্ভাৱ্য যোগান ব্যৱস্থাত বাধা ৰোধ কৰাৰ বাবে এনে সামগ্ৰীসমূহ মিতব্যয়ীভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

০০০০

ছুইজাৰলেণ্ডৰ বাচেলত অনুষ্ঠিত ছুইচ অ'পেন ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতৰ ছাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীয়ে ডেনমাৰ্কৰ যুটী ক্ৰিষ্টিয়ান কাজেৰ আৰু ৰাছমাছ কাজেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰপূৰ্বে ভাৰতীয় যুটীটোৱে জাপানৰ হিৰুকী ওকামুৰা আৰু কিয়'হেই য়ামাছিতাক ৭৪ মিনিটৰ এখন ৰোমাঞ্চকৰ খেলত ২১-১৫,১৫-২১,২৮-২৬ গেমত হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। একেদৰে প্ৰতিযোগিতাত পুৰুষৰ ছিংগলচত তৰুণ মান্নেপল্লীয়ে মালয়েছিয়াৰ জাষ্টিন হ'হক পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ